রুক্মিণী হৰণ নাট ৰচনাৰ বহুপূৰ্বে শংকৰদেৱে 'রুক্মিণী হৰণ কাব্য' ৰচনা কৰিছিল। 'রুক্মিণী হৰণ' কাব্যৰ বিষয়বস্তু ভাগৱত আৰু হৰিবংশ পুৰাণৰ আধাৰত বৰ্ণিত। কিন্তু 'রুক্মিণী হৰণ' নাটৰ কথাবস্তু শংকৰদেৱে কেৱল ভাগৱত পুৰাণৰ পৰাহে সংগ্ৰহ কৰিছে। হৰিবংশ পুৰাণৰ প্ৰভাৱ নাটখনত পৰা দেখা নাযায়।

'রুক্মিণী হৰণ কাব্য' ৰচনাৰ পাছত ৰাম ৰায়ৰ আগ্ৰহতে একে বিষয়ৰ ওপৰত ভিত্তি কৰি শংকৰদেৱে 'রুক্মিণী হৰণ' নাট ৰচনা কৰে। মুক্তিমংগল ভটিমাত তেওঁ ৰাম ৰায়ক প্ৰশংসা কৰিছে এনেদৰে—

শ্ৰীৰামৰায়া ভকতি সুজান।
কৰাৱত কৃষ্ণ নাট নিৰমান।

নাটখনিৰ ৰচনা স্থান পাটবাউসী। 'গুৰু চৰিত' আৰু 'কথা গুৰু চৰিত' মতে শংকৰদেৱে দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণৰ পাছত পাটবাউসীত এই নাট ৰচনা কৰে। ইয়াৰ আগে আগে তেওঁ ১৫৫৮ খ্ৰীঃত কোচ ৰজা নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত আছিল। এনে সময় সূচনাৰ ভিত্তিতে রুক্মিণী হৰণ নাটৰ ৰচনাকাল খ্ৰীঃ ১৫৬০ বুলি ঠাৱৰ কৰিব পাৰি। বিভিন্ন সমালোচকে নাটখনৰ ৰচনাকাল সম্পৰ্কে ভিন্ন মত আগবঢ়াইছে যদিও মহেশ্বৰ নেওগে দাঙি ধৰা ১৫৬০ খ্ৰীষ্টাব্দকে নাটখনিৰ ৰচনা কাল বুলি ধৰিব পাৰি।

রুক্মিণী হৰণ নাটৰ মূল ভাগৱত পুৰাণৰ দশম স্কন্ধৰ ৫২-৫৪ অধ্যায়। এই অধ্যায়ত থকা কথা আৰু কাৰ্যৰ ওপৰত ভিত্তি কৰিয়েই শংকৰদেৱে রুক্মিণী হৰণ নাটৰ বিষয়বস্তু নিৰ্দ্ধাৰণ কৰিছে। ভাগৱতত বৰ্ণনা কৰা কাহিনীক মূল লক্ষ্য হিচাপে আগত ৰাখি শংকৰদেৱে নাটখনৰ কাহিনী পৰিপূৰ্ণ কৰিছে। ভাগৱতৰ মূল কাহিনীভাগক বিকৃত নকৰি পৰিস্থিতি আৰু চৰিত্ৰ সমূহকো অধিক উজ্জ্বল আৰু সজীৱ কৰি তুলিবলৈ নাট্যকাৰে কিছু স্বাধীনতা গ্ৰহণ কৰিছে আৰু স্বকীয়তাৰ ৰহণ সানিছে।

মূল ভাগৱতত দেশান্তৰীৰ মুখত শ্ৰীকৃষ্ণই রুক্মিণীৰ আৰু রুক্মিণীয়ে শ্ৰীকৃষ্ণৰ ৰূপ-গুণৰ কথা শুনি পৰস্পৰে পৰস্পৰৰ প্ৰতি আকৃষ্ট হোৱা, রুক্মিণীক বিবাহৰ বাবে জ্যেষ্ঠ ভ্ৰাতা রুক্মবীৰৰ দ্বাৰা তেওঁৰ পৰম মিত্ৰ ছেদীৰাজ শিশুপালক রুক্মিণীক বৰ ৰূপে আমন্ত্ৰণ কৰা, কোনো এজন বিশ্বস্ত ব্ৰাহ্মণে রুক্মিণীৰ পত্ৰ লৈ দ্বাৰকাৰ কৃষ্ণৰ ওচৰলৈ যাত্ৰা কৰা, রুক্মিণীয়ে পত্ৰৰ জৰিয়তে তেওঁক হৰণ কৰাৰ সংবাদ প্ৰেৰণ কৰা, পত্ৰবাহক ব্ৰাহ্মণৰ সৈতে শ্ৰীকৃষ্ণৰ বিদৰ্ভলৈ আগমন, ভৱানী মন্দিৰ দৰ্শন কৰি ওভতাৰ পথত শ্ৰীকৃষ্ণৰ দ্বাৰা রুক্মিণী হৰণ, বিৰোধী পক্ষৰ ৰজাসকলৰ লগত শ্ৰীকৃষ্ণৰ যুদ্ধ আৰু ৰজাসকলক পৰাস্ত কৰা, রুক্মবীৰৰ সৈতে শ্ৰীকৃষ্ণৰ যুদ্ধ আৰু পৰিণতিত রুক্মবীৰক প্ৰাণে নামাৰি মুণ্ডন কৰা, কৃষ্ণৰ ভ্ৰাতা বলোৰামৰ প্ৰবোধ আৰু দ্বাৰকাত শ্ৰীকৃষ্ণ আৰু রুক্মিণীৰ বিবাহ সম্পাদন— এই সকলোবোৰ ভাগৱতৰ আধাৰতে মহাপুৰুষ জনাই নাটত প্ৰয়োগ কৰিছে।

শংকৰদেৱৰ আগবয়সৰ ৰচনা ৰুক্মিণী হৰণ কাব্যৰ কথাবস্তুখিনিকে নাটকীয় ৰূপ দিবলৈ ভালেখিনি যোগ-বিয়োগ কৰিব লগা হৈছে। নাটকীয় পৰিস্থিতিলৈ লক্ষ্য ৰাখি গুৰুজনাই কাব্যখনিৰ নাটকীয় ৰূপত ভালেখিনি পৰিৱৰ্তন সাধন কৰিছে।

ৰুক্মিণী হৰণ নাটৰ বিষয়বস্তু সংগ্ৰহত কোনো কোনো চৰিতত হৰিবংশ আৰু বিষ্ণুপুৰাণৰ সহায়ৰ কথা উল্লেখ আছে যদিও তাৰ কোনো সত্যতাৰ প্ৰমাণ নাই। তলৰ কথাখিনিৰ পৰাই তাক অনুমান কৰিব পৰা যাব।

হৰিবংশ পুৰাণৰ কথা মতে বিষ্ণু পৰ্বৰ ৪৭-৫১ অধ্যায় আৰু ৫৯-৬০ তম অধ্যায়ত ৰুক্মিণী হৰণৰ কাহিনী পোৱা যায়। কুণ্ডিলৰ ৰজা ভীষ্মকৰ জীয়াৰী ৰুক্মিণীৰ ৰূপ-লাৱণ্যৰ কথা শুনি দ্বাৰকাৰ শ্ৰীকৃষ্ণই তেওঁক পত্নীৰূপে পাবলৈ ইচ্ছা কৰে। ইপিনে ৰুক্মিণীয়েও শ্ৰীকৃষ্ণৰ ৰূপ-গুণৰ কথা শুনি তেওঁকে স্বামীভাবে পাবলৈ হাবিয়াস কৰে। ভীষ্মকে জৰাসন্ধৰ কথামতে শিশুপাললৈহে ৰুক্মিণীক বিবাহ দিবলৈ মন কৰে। ৰুক্মিণীৰ স্বয়ম্বৰৰ কথা শুনি কৃষ্ণই কুণ্ডিললৈ যাত্ৰা কৰে আৰু ভীষ্মকৰ সম্পৰ্কীয় ক্ৰথ আৰু কৌশিকৰ ৰাজ্যত থাকি স্বয়ম্বৰলৈ আমন্ত্ৰিত ৰজা সকলৰ গতিবিধি নিৰীক্ষণ কৰিবলৈ ধৰে। কৃষ্ণ বিৰোধী ৰজাসকলে স্বয়ম্বৰত কৃষ্ণৰ উপস্থিতিত তেওঁলোকে কেনে ব্যৱহাৰ কৰিব তাৰ চিন্তা কৰিব ধৰে। ভীষ্মকে পৰিস্থিতিৰ ভয়াবহতালৈ লক্ষ্য ৰাখি কৃষ্ণক স্বয়ম্বৰলৈ আমন্ত্ৰণ জনাব নোৱাৰাত ক্ষমা বিচাৰে আৰু স্বয়ম্বৰ স্থগিত ৰখাত শ্ৰীকৃষ্ণ দ্বাৰকালৈ উভতি যায়।

ইপিনে ৰুক্মিণীৰ জ্যেষ্ঠ ভাতৃ ৰুক্মবীৰে কিছুদিন পাছতেই ছেদীৰাজ শিশুপালৰ লগত ৰুক্মিণীৰ বিবাহৰ আয়োজন কৰাৰ বাতৰি পাই কৃষ্ণ বলৰাম সহিতে বিদৰ্ভত উপস্থিত হয়। বিবাহৰ আগদিনা ৰুক্মিণীয়ে ইন্দ্ৰাণী মন্দিৰৰ পৰা ওভতা পথত শ্ৰীকৃষ্ণই বলৰামৰ দিহা অনুসৰি ৰুক্মিণীক ৰথত তুলি দ্বাৰকালৈ লৈ যায়। জৰাসন্ধ, শিশুপাল আদিয়ে কৃষ্ণক খেদি যায় যদিও বলৰামৰ হাতত পৰাস্ত হৈ পলায়। ৰুক্মবীৰে কৃষ্ণক বধ নকৰাকৈ কুণ্ডিলত প্ৰৱেশ নকৰাৰ মানসেৰে নৰ্মদাৰ পাৰত কৃষ্ণক ভেটি ধৰে। কৃষ্ণৰ সৈতে তেওঁ যুদ্ধত প্ৰবৃত হয়, কিন্তু তেওঁ পৰাস্ত হয়। কৃষ্ণই তেওঁক বধ কৰিবলৈ ওলোৱাত সহোদৰা ৰুক্মিণীয়ে তেওঁৰ প্ৰাণ ভিক্ষা কৰে। অপমানিত ৰুক্মবীৰে কুণ্ডিললৈ উভটি নগৈ ভোজকট নামেৰে নগৰত থাকিবলৈ লয়। শ্ৰীকৃষ্ণই ৰুক্মিণীক দ্বাৰকালৈ লৈ যায় আৰু তাত যথা ৰীতি অনুসাৰে দুয়োৰে বিবাহ সম্পন্ন হয়।

'বিষ্ণু পুৰাণ'ত শ্ৰীকৃষ্ণই ৰুক্মিণীক হৰণ কৰা কাহিনীটো পঞ্চম অংশত বৰ্ণনা কৰা হৈছে। এই অংশৰ মাত্ৰ বাৰটা শ্লোকত কাহিনীটো সামৰা হৈছে। কাহিনী মতে বিদৰ্ভৰ ৰজা ভীষ্মকৰ ৰুক্ম আৰু ৰুক্মিণী নামেৰে এজন পুত্ৰ আৰু এগৰাকী কন্যা আছিল। শ্ৰীকৃষ্ণ আৰু ৰুক্মিণীয়ে দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হৈ মিলনৰ আশা কৰিছিল। জৰাসন্ধৰ পৰামৰ্শ মতে ৰুক্মিণীক শিশুপাললৈ বিবাহ দিবলৈ স্থিৰ কৰাত জৰাসন্ধকে আদি কৰি ৰুক্মবীৰৰ পৰম মিত্ৰসকল বিদৰ্ভত উপস্থিত হয়। শিশুপালৰ বিবাহ উপলক্ষে শ্ৰীকৃষ্ণ

বলভদ্র প্ৰমুখ্যে যদুবংশৰ লোকসকলো বিদৰ্ভত উপস্থিত হয়। বিবাহৰ পূৰ্বদিনা শ্ৰীকৃষ্ণই ৰুক্মিণীক ৰথত তুলি দ্বাৰকালৈ লৈ যায়। কৃষ্ণ বিদ্বেষী শিশুপাল, জৰাসন্ধ, দন্ত বক্ৰ, শাল্ব প্ৰমুখ্যে ৰজাসকলে কৃষ্ণক খেদি যায় কিন্তু বলভদ্ৰ আৰু আন যদুবংশৰ লোকসকলৰ হাতত পৰাজয় বৰণ কৰে। দাম্ভিক ৰুক্মবীৰে কৃষ্ণক বধ কৰিবলৈ তেওঁৰ পিচ ল'লে। কিন্তু তেওঁও কৃষ্ণৰ হাতত পৰাস্ত হয়। কৃষ্ণই সকলোকে পৰাভূত কৰি ৰুক্মিণীক দ্বাৰকালৈ লৈ গৈ বিবাহ কৰায়।

শংকৰদেৱৰ ৰুক্মিণী হৰণ নাটৰ মূল কথাখিনি ওপৰত উল্লিখিত হৰিবংশ, বিষ্ণুপুৰাণ আৰু ভাগৱত পুৰাণৰ আধাৰত ৰচিত যদিও কাহিনীৰ বিকাশৰ ক্ষেত্ৰত বিষ্ণুপুৰাণ বা হৰিবংশৰ প্ৰভাৱ পৰা নাই। হৰিবংশ আৰু বিষ্ণু পুৰাণত থকা কংসৰ শহুৰেক জৰাসন্ধই ৰুক্মিণীক শিশুপাললৈ বিবাহ দিবৰ বাবে ভীষ্মকক দিয়া পৰামৰ্শৰ কথা ৰুক্মিণী হৰণ নাটত পোৱা নাযায়। হৰিবংশ পুৰাণত উল্লেখ থকা ৰুক্মিণীৰ স্বয়ম্বৰলৈ শ্ৰীকৃষ্ণই বলভদ্ৰ সহিতে আহি ক্ৰথ আৰু কৌশিকৰ ৰাজসভাত থাকি স্বয়ম্বৰলৈ আমন্ত্ৰিত ৰজা সকলৰ আলেখ-লেখ চোৱাৰ বৰ্ণনাও শংকৰদেৱে ৰুক্মিণী হৰণ নাটত গ্ৰহণ কৰা নাই।

শংকৰদেৱে ৰুক্মিণী হৰণ নাটৰ কাহিনী নিৰ্মাণ, কাহিনীৰ ক্ৰম আদি সকলোতে ভাগৱত পুৰাণৰ কথাবস্তুকে গ্ৰহণ কৰিছে। নাটখনৰ ভাষা আৰু প্ৰকাশভংগীৰ ক্ষেত্ৰতো তেওঁ ভাগৱত পুৰাণকে আধাৰ হিচাপে লৈছে। সকলো শাস্ত্ৰৰ সাৰ ভাগৱত পুৰাণৰ প্ৰতি শংকৰদেৱৰ শ্ৰদ্ধা আৰু আস্থাৰ মনোভাৱেই তেওঁক ভাগৱত পুৰাণক আধাৰ হিচাপে লোৱাৰ বাবে অনুপ্ৰাণিত কৰিছিল। নাটকীয় কাহিনীৰ গতিশীলতাত নিজস্ব পৰিকল্পনাৰে মূলত নথকা চৰিত্ৰও নাট্যকাৰে চিত্ৰিত কৰিছে। পৰিবেশ সৃষ্টিতো নাট্যকাৰৰ মৌলিকতাই নাটকীয় কাহিনীক মূলতকৈ অধিক উজ্জ্বল কৰি তুলিছে।